# 2023

Jawaharlal Nehru College Library
Estd.-1964
Boko, Dist Kamrup

## ASSAMESE

## ( Honours Elective )

Paper : ASM–HE–5026

( অসমীয়া ৰমণ্যাসৱাদী কবিতা )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) অসমীয়া সাহিত্যত ৰমণ্যাস শব্দটোৰ ব্যৱহাৰ প্ৰথমে কোনে কৰিছিল ?

(খ) জোনাকী যুগৰ এগৰাকী অতীন্দ্ৰিয়বাদী কবিৰ নাম লিখা।

(গ) 'জ্ঞানমালিনীৰ কবি'ৰূপে কোনগৰাকী কবি জনাজাত ?

(ঘ) 'অসম কেশৰী' কোন ?

(ঙ) ৰত্নকান্ত বৰকাকতিয়ে লিখা এখন কাব্যপুথিৰ নাম লিখা।

(চ) 'মাণিকি মধুৰী' কাব্যগ্ৰন্থখন কাৰ ৰচনা ?

(ছ) 'হে জননী ভাৰতবৰ্ষ' কবিতাটোত উল্লেখ থকা অসমৰ এগৰাকী বীৰ পুৰুষৰ নাম লিখা।

(জ) 'শাপমুক্তা' কবিতাটোত কোন শাপভ্ৰষ্ট হৈছিল?

(ঝ) শৈলধৰ ৰাজখোৱাৰ কবিতাৰ প্ৰধান সুৰ কি?

(ঞ) অসমীয়া ভাষাত প্ৰথমে ছনেট কবিতা লিখা কবিজনৰ নাম কি?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ 'ভ্ৰম' কবিতাটো কোনখন কবিতাৰ পুথিৰ পৰা আহৰণ কৰা হৈছে? এই কবিতাটিক কোনবিধ ছন্দৰ ব্যৱহাৰে আকৰ্ষণীয় কৰি তুলিছে?

(খ) ৰমণ্যাসিক কবিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(গ) ''ক'ৰ পৰা তই আহিলি সোণাই
কোন দিশে যাব উৰি,
কিয় বা ফুৰিছ দূৰ-দূৰণিত
অকল'ই ঘূৰি ঘূৰি।''

এই স্তৱকটি কোনটো কবিতাৰ আৰু ইয়াত কবিয়ে কাক 'সোণাই' বুলি সম্বোধন কৰিছে?

(ঘ) ''লাল্‌কিল্লা স্মৃতিৰ গহ্বৰ
কত কথা, কত ব্যথা তাত!''

এই পংক্তিটিৰ ৰচক কোন? কবিগৰাকীৰ ৰচিত এখন কাব্যগ্ৰন্থৰ নাম লিখা।

(ঙ) যতীন্দ্ৰনাথ দুৱৰাৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা।





৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) ''পূৰ্ণিমাৰ পোহৰত
নিৰাশাৰ আঁউসী পুৱাব
তোমাৰেই হিয়াৰ জেউতি
ভূবন বিয়পি বৈ যাব।''

প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা।

(খ) 'বিশ্বশিল্পী' কবিতাটিত কবিয়ে নিজকে কিয় বিশ্বশিল্পীৰ ৰূপত সজাব বিচাৰিছে? ব্যাখ্যা কৰা।

(গ) অসমীয়া কাব্য-সাহিত্যলৈ কবি ডিম্বেশ্বৰ নেওগৰ অৱদান সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঘ) অসমীয়া চতুৰ্দশপদী কবিতাৰ বিষয়ে এটি টোকা আগবঢ়োৱা।

(ঙ) ''যত শুঙো, চুমা খাওঁ, নালাগে আমনি,
হৃদয়ত হেঁপাহৰ ভোটাতৰা জ্বলে।''

এই কবিতাংশটি তোমাৰ পাঠৰ কোনটো কবিতাৰ অন্তৰ্গত? কবিতাটোৰ মাজেৰে কবিয়ে কি ক'বলৈ বিচাৰিছে, চমুকৈ আলোচনা কৰা।

(চ) 'জোনাকী' কাকতখনলৈ ৰমণ্যাসিক কবি চন্দ্ৰকুমাৰ আগৰৱালাদেৱে আগবঢ়োৱা অৱদানৰ বিষয়ে চমুৱাই আলোচনা কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) অসমীয়া ৰমণ্যাসিক কবিতাৰ পটভূমি সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

(খ) অতুল চন্দ্র হাজৰিকাৰ 'লালকিল্লা' কবিতাটোৰ বিষয়বস্তু তোমাৰ ভাষাৰে ব্যক্ত কৰা।

(গ) "'আদিতেই যাত্রা কৰি অনাদিলৈ' যাওঁ
ধ্বংসৰ মাজেদি মই
ৰূপান্তৰেদি ৰূপ পাই
নৱতম সৃষ্টিৰ শলিতা জ্বলাওঁ।"

উদ্ধৃত কবিতাংশ কোনটো কবিতাৰ অন্তৰ্গত? কবিতাটোৰ জৰিয়তে কবিগৰাকীৰ শিল্পীসত্তাটোক বিশ্লেষণ কৰা।

(ঘ) কবি নলিনীবালা দেৱীৰ 'পৰশমণি' কবিতাটোত ভাৰতীয় আধ্যাত্মিক দৰ্শনৰ প্ৰভাৱ কেনেদৰে প্ৰতিফলন ঘটিছে, আলোচনা কৰা।

(ঙ) 'সোণোৱালী দেশ' কবিতাটোৰ বিষয়বস্তু সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

(চ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'মানৱায়তন' কবিতাটোৰ মাজেৰে কবিৰ স্বদেশপ্ৰীতি আৰু জাতীয় চেতনাৰ প্ৰতিফলন কেনেদৰে ঘটিছে, আলোচনা কৰা।

(ছ) 'আত্মন' কবিতাটোৰ মাজেৰে চুফীবাদৰ দৰ্শন কেনেদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(জ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'ভ্ৰম' কবিতাটিত কবিৰ সৌন্দৰ্যপ্ৰীতি আৰু গভীৰ প্ৰেমানুভূতিৰ সংযোগত প্ৰিয়তমাৰ অপৰূপ ৰূপ কেনেদৰে ফুটি উঠিছে, উদ্ধৃতিসহ আলোচনা কৰা।

***